# কামতা তিৱাৰী

**বনাম**

**মধ্য প্ৰদেশ চৰকাৰ**

**৪ ছেপ্টেম্বৰ, ১৯৯৬**

**[ ন্যায়াধীশ এম. কে. মুখাৰ্জী আৰু ন্যায়াধীশ এছ.পি. কুৰডুকাৰ]**

ভাৰতীয় দণ্ডবিধি আইন, ১৮৬০ : ধাৰা ৩০২, ৩৬৩, ৩৭৬ আৰু ২০১–মৃত্যুদণ্ড–বিৰলতকৈও বেছি বিৰল গোচৰ– নাবালিকা ছোৱালীক অপহৰণ, ধৰ্ষণ আৰু হত্যা– পৰিস্থিতিগত সাক্ষ্য–প্ৰমাণৰ ভিত্তিত দোষী সাব্যস্ত– গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি নিম্ন আদালতে দিয়া মৃত্যুদণ্ড বাহাল ৰখাৰ সিদ্ধান্ত আদালতে গ্ৰহণ কৰে।

প্ৰায় ৭ বছৰীয়া এগৰাকী নাবালিকাক আবেদনকাৰীয়ে, যিজন নাবালিকা (মৃতক)ৰ পৰিয়ালৰ ঘনিষ্ঠ চুবুৰীয়া আছিল, ধৰ্ষণ আৰু হত্যা কৰিছিল আৰু তাইৰ মৃতদেহটো এটা কুঁৱাত পেলাই দিছিল।

অপৰাধৰ কোনো প্ৰত্যক্ষদৰ্শী নাছিল বাবেই বিচাৰ বিভাগে পৰিস্থিতিগত প্ৰমাণ ব্যৱহাৰ কৰিছিল। আপীলকাৰীৰ পক্ষত এই যুক্তি আছিল যে তেওঁৰ বিৰুদ্ধে ভুল অভিযোগ উত্থাপন কৰা হৈছিল।

বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়– এই দুয়োখন ন্যায়ালয়তেই সকলো সাক্ষীৰ প্ৰমাণৰ বিষয়ে দীঘলীয়া আলোচনা কৰাৰ পিছত কয় যে প্ৰতিটো পৰিস্থিতিয়েই নিৰ্ণায়কভাৱে প্ৰমাণিত হৈছিল আৰু সেই পৰিস্থিতিসমূহে নিৰপেক্ষভাৱে আবেদনকাৰীৰ অপৰাধৰ ফালে আঙুলিয়াই দিছিল। তেওঁক ধৰ্ষণ আৰু হত্যাৰ অপৰাধত দোষী সাব্যস্ত কৰা হৈছিল আৰু মৃত্যুদণ্ড দিয়া হৈছিল।

সেয়েহে এই আবেদন দাখিল কৰা হৈছে।

আবেদন খাৰিজ কৰি এই আদালতে নিম্নোলিখিত ৰায় প্ৰদান কৰে–

**ৰায়:** ১. নিম্ন আদালতসমূহে এই ৰায়দানৰ ওপৰত সৰ্বসন্মতিক্ৰমে একমত প্ৰকাশ কৰিছে। বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়– এই দুয়োখন আদালতেই বিচাৰ বিভাগে প্ৰদান কৰা সকলো সাক্ষীৰ সাক্ষ্য ভালদৰে পৰীক্ষা কৰিছিল। তেওঁলোকে প্ৰত্যক্ষ কৰিলে যে প্ৰতিটো প্ৰমাণে আপীলকাৰীৰ দোষলৈ বলিষ্ঠভাৱে আঙুলিয়াই দিছে। এইটো নিশ্চিতভাৱে সত্য যে সমগ্ৰ গোচৰটো পৰিস্থিতিগত প্ৰমাণৰ ওপৰত আধাৰিত, কিন্তু যিবোৰ কাহিনীমূলক পৰিস্থিতি দৃঢ়ভাৱে প্ৰতিষ্ঠিত, সেইবোৰ আন কোনো যুক্তিসংগত অনুমানৰ সৈতে সামঞ্জস্যপূৰ্ণ নহয়, ইয়াৰ বাহিৰে যে আবেদনকাৰীয়ে মৃতকজনক অপহৰণ কৰিছিল, ধৰ্ষণ

কৰিছিল, তাৰ পিছত শ্বাসৰুদ্ধ কৰি হত্যা কৰিছিল আৰু হত্যাৰ প্ৰমাণ নোহোৱা কৰিবলৈ তেওঁৰ মৃতদেহ এটা কুঁৱাত পেলাই দিছিল। ভা.দ.বি.-ৰ ধাৰা ৩৬৩, ৩৭৬, ৩০২ আৰু ২০১ৰ অধীনত অপৰাধ কৰাৰ কাৰণে আপীলকাৰীক দোষী সাব্যস্ত কৰা হৈছে।[৫১২-ই-জি]

২. মৃত্যুদণ্ড বাহাল ৰাখিব লাগে কাৰণ এই গোচৰত আদালতে বহুতো গুৰুতৰ কাৰক বিচাৰি পাইছিল। প্ৰমাণৰ পৰা দেখা যায় যে আপীলকাৰীজন ভুক্তভোগীৰ পৰিয়ালৰ ঘনিষ্ঠ আছিল আৰু শিশুটিয়ে তেওঁক আংকোল বুলিও মাতিছিল। আপাত দৃষ্টিত আপীলকাৰীৰ সৈতে মৃতকৰ ঘনিষ্ঠতাই তাইক তেওঁৰ দোকানখনলৈ যাবলৈ আৰু কিছু বিস্কুট বিচাৰিবলৈ উৎসাহিত কৰিছিল, যিখন দোকান তাইৰ দেউতাকে ভায়েকৰ সৈতে চুলি কাটিবলৈ যোৱা চেলুনখনৰ ওচৰতে আছিল। আবেদনকাৰীয়ে তৎক্ষণাত তাইৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই তাইক ওচৰৰ গেলামালৰ দোকান এখনলৈ লৈ গৈছিল আৰু তেওঁৰ অশুভ পৰিকল্পনাৰ পূৰ্বাভাস হিচাপে তাইক এপেকেট বিস্কুট কিনি দিছিল আৰু পৰিকল্পনা অনুসৰি তেওঁ তাইক অপহৰণ কৰিছিল, নিৰ্মমভাৱে ধৰ্ষণ কৰি হত্যা কৰিছিল, যাৰ প্ৰমাণ তাইৰ শৰীৰত থকা অসংখ্য আঘাতৰ পৰাই পোৱা যায়, আৰু তাৰ পিছত তাইৰ মৃতদেহটো এটা কুঁৱাত পেলাই দিছিল। যেতিয়া এজনী অসহায় ৭ বছৰীয়া ছোৱালীৰ লগত তাইৰে বিশ্বাসী কোনোবাই এনে ঘৃণনীয় কৰ্ম কৰে, এনে কাৰ্যই সাধাৰণ মানুহৰ মনত চৰম বিতৃষ্ণাৰ ভাৱ জগাই তোলে। এইটো এটা অতি বিৰল গোচৰ, য'ত মৃত্যুদণ্ড দিয়াটো কেৱল আনক এনে নৃশংস অপৰাধ সংঘটিত কৰাত বাধা দিয়াৰ বাবেই গুৰুত্বপূৰ্ণ নহয়, এনে অপৰাধৰ প্ৰতি সমাজৰ ঘৃণাক শক্তিশালীভাৱে দেখুৱাবলৈও গুৰুত্বপূৰ্ণ। [৫১৩-এফ-এইচ; ৫১৪-এ-চি]।

*বছন সিং বনাম পঞ্জাৱ চৰকাৰ*, এ আই আৰ (১৯৮০) এছ চি ৮৯৮ আৰু *মাচি সিং বনাম পঞ্জাৱ চৰকাৰ*, এ আই আৰ (১৯৮৩) এছ চি ৯৫৭-ৰ ওপৰত নিৰ্ভৰ কৰিছিল।

ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰ: ফৌজদাৰী আপীল নং. ২৬৭/১৯৯৬

ফৌজদাৰী আপীল নং. ১৫২৪/১৯৯৫ গোচৰ সংক্ৰান্তত মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ ৫.২.৯৬ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ অনিল কুমাৰ গুপ্তা (এ.চি.)।

প্ৰতিবাদীৰ হৈ উমা নাথ সিং।

**ন্যায়াধীশ এম. কে. মুখাৰ্জীৰ** দ্বাৰা আদালতৰ ৰায়দান প্ৰদান কৰা হয়-

আবেদনকাৰীক ভা.দ.বি. আইনৰ ৩৬৩, ৩৭৬, ৩০২ আৰু ২০১ নং ধাৰাৰ অধীনত অতিৰিক্ত সত্ৰ ন্যায়াধীশ শ্বাহদোলৰ দ্বাৰা দণ্ডনীয় অপৰাধৰ বাবে বিচাৰ কৰা হৈছিল আৰু দোষী সাব্যস্ত কৰা হৈছিল। তেওঁ এই অপৰাধৰ বাবে ভা.দ.বি. আইনৰ ৩০২ নং ধাৰাত দোষী সাব্যস্ত হোৱাৰ বাবে তেওঁ মৃত্যুদণ্ড লাভ কৰে আৰু আন আন দোষত দোষী সাব্যস্ত হোৱাৰ বাবে বিভিন্ন ধৰণৰ

কঠোৰ কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হয়। উচ্চ ন্যায়ালয়ত তেওঁৰ আবেদন খাৰিজ কৰা হৈছিল, সেয়েহে তেওঁ বিশেষ অনুমতি লাভ কৰি এই আবেদন দাখিল কৰে।

২. গোচৰৰ বৰ্ণনা চমুকৈ এনেধৰণৰ–

(ক) পৰমেশ্বৰ লাল শৰ্মা (পি ডব্লিউ ১) পত্নী আৰু তিনিটা সন্তানৰ সৈতে বুধাৰ চহৰত ভুটাৰী তালিয়া হিচাপে বাস কৰিছিল। তিনিটা সন্তানৰ ভিতৰত পিংকি (মৃতক) আছিল সৰু আৰু মৃত্যুৰ সময়ত তাইৰ বয়স আছিল প্ৰায় সাত বছৰ। একে স্থানৰে বাসিন্দা আপীলকাৰীজনে মাজে মাজে পৰমেশ্বৰৰ ঘৰলৈ গৈছিল আৰু তেওঁৰ সন্তান কেইটিয়ে আপীলকাৰীজনক 'তিৱাৰী আংকোল' বুলি সম্বোধন কৰিছিল।

(খ) ১৯৯৫ চনৰ ৩০ এপ্ৰিলৰ সন্ধিয়া প্ৰায় ৬ বজাত পৰমেশ্বৰে পুত্ৰ সন্তোষ (পি.ডব্লিউ. ৪) আৰু কন্যা পিংকিৰ সৈতে স্থানীয় বজাৰৰ চুলি কটা চেলুন এখনলৈ গৈছিল। সন্তোষ আৰু পিংকিয়ে চুলি কটাৰ পিছত তেওঁলোকে বাহিৰত খেলিবলৈ চেলুনৰ পৰা ওলাই গ'ল আৰু পাৰমেশ্বৰে নিজৰ পাল অহাৰ বাবে অপেক্ষা কৰি থাকিল। কিছু সময়ৰ পাছত পিংকি চেলুনখনৰ কাষতে থকা আপীলকাৰীৰ টেলিভিছন মেৰামতি কৰা দোকানখনলৈ গ'ল। তেতিয়া আপীলকাৰীয়ে নিজৰ দোকানত সুৰেশ গুপ্তা (পি ডব্লিউ ৮)ৰ সৈতে লুডো খেলি আছিল। পিংকিয়ে আপীলকাৰীক তাইক কিছু টফি আৰু বিস্কুট দিবলৈ অনুৰোধ কৰিছিল আৰু তাৰ পিছত তেওঁ তাইক ওচৰৰ বুধচেন গুপ্তা (পি ডব্লিউ ৩)ৰ গেলামালৰ দোকানলৈ লৈ গৈছিল আৰু বিস্কুটৰ পেকেট এটা ক্ৰয় কৰি দিছিল। ইয়াৰ পিছত দুয়োজনেই বুধচেনৰ দোকানৰ পৰা ওলাই গ'ল।

(গ) পৰমেশ্বৰে চুলি কটাৰ পিছত চেলুনৰ পৰা ওলাই আহি জীয়েক ক'ত আছে সোধা-পোছা কৰাত সন্তোষে তেওঁক ক'লে যে পিংকি আপীলকাৰীৰ দোকানলৈ গৈছে আৰু তেওঁ তাইক বিস্কুট দিছে। সেই তথ্য পোৱাৰ লগে লগে পৰমেশ্বৰে সন্তোষৰ সৈতে আপীলকাৰীৰ দোকানলৈ গৈছিল যদিও বন্ধ হৈ থকা দেখিছিল। তাৰ পিছত সিহঁতে ঘৰলৈ উভতি গৈ গম পালে যে পিংকি ঘূৰি অহা নাই। তাৰ পিছত পৰমেশ্বৰে আপীলকাৰীৰ ঘৰলৈ যায় যদিও তাত তেওঁক পোৱা নাছিল। তাৰ পিছত পত্নী আৰু আন দুটা সন্তানৰ সৈতে পৰমেশ্বৰে পিংকিৰ সন্ধানত যায় আৰু অনুসন্ধানৰ সময়ত তেওঁলোকে আপীলকাৰীৰ দোকানৰ ওচৰৰ এটা চ'কত নিশা প্ৰায় ১০.৩০ বজাত হৰি কৃষ্ণ চ'নী (পি ডব্লিউ ১০) আৰু সুভাষ চন্দ্ৰ চ'নী (পি ডব্লিউ ২)ক লগ পায় । তেওঁলোকৰ পৰামৰ্শ অনুসৰি তেওঁ পত্নী আৰু সন্তানক ঘৰলৈ ঘূৰাই পঠিয়াই দিলে আৰু পুনৰ তেওঁলোকৰ লগত আপীলকাৰীৰ ঘৰলৈ গ'ল। তাত ৰৈ থকাৰ সময়তে তেওঁলোকে দেখিলে যে আপীলকাৰীজন সম্পূৰ্ণ তিতি নিজৰ ঘৰৰ ফালে আহি আছে। তেতিয়া তেওঁ মাত্ৰ এটা আণ্ডাৰৱেৰ পিন্ধি আছিল আৰু কাষলতিৰ তলত কিছু কাপোৰ হেঁচা মাৰি ধৰি আহিছিল। যেতিয়া সিহঁতে পিংকিৰ বিষয়ে সোধা-পোছা কৰিলে তেওঁ সিহঁতক ক'লে যে সি তাইক বিস্কুটৰ পেকেটটো দিয়াৰ পিছত তাই গুচি গ'ল। ইয়াৰ পিছত তেওঁলোক তিনিওজনে পুৱা প্ৰায় ১ বজাত বুধাৰ থানালৈ গৈ পিংকি নিৰুদ্দেশ হোৱা বুলি খবৰ দিয়ে।

(ঘ) পুলিচ ষ্টেচনৰ দৈনিক পঞ্জীত (প্ৰ. পি.১৫/চি)ৰিপৰ্টটো লিপিবদ্ধ কৰাৰ পিছত হেড কনিষ্টবল মুন্না প্ৰসাদে পিংকিৰ সন্ধানত গৈছিল যদিও তাইৰ কোনো সন্ধান উলিয়াব পৰা নাছিল। কিন্তু তেওঁৰ দ্বাৰা কৰা তদন্তৰ ভিত্তিত ষ্টেচন হাউচ্ অফিচ শ্ৰী ভি. ডি. ত্ৰিপাঠী (পি ডব্লিউ ১১)য়ে ভা.দ.বি. আইনৰ ৩৬৩, ৩৬৪ আৰু ৩৬৬ নং (প্ৰ. পি.১৬)ধাৰাত গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। পিছদিনা অৰ্থাৎ ১৯৯৫ চনৰ ২ মে'ত বিয়লি শ্ৰী ত্ৰিপাঠীয়ে আপীলকাৰীক গ্ৰেপ্তাৰ কৰে আৰু হৰি কৃষ্ণ আৰু দীনদয়ালৰ উপস্থিতিত তেওঁক জেৰা কৰে। এই জেৰাত আপীলকাৰীয়ে প্ৰকাশ কৰে যে তেওঁ পিংকিৰ মৃতদেহটো এটা কুঁৱাত পেলাই দিছিল আৰু তাইৰ ফ্ৰকটো মহুৱা গছৰ ওচৰত লুকুৱাই ৰাখিছিল। শ্ৰী ত্ৰিপাঠীয়ে আপীলকাৰীৰ প্ৰকাশ বিবৃতি লিপিবদ্ধ কৰিছিল (প্ৰ. পি.৮) আৰু তাৰ পিছত আপীলকাৰীৰ নেতৃত্বত আৰু উল্লিখিত দুজন সাক্ষীৰ সৈতে ৰামজিয়াৱন লোধি নামৰ এজন ব্যক্তিৰ কুঁৱালৈ গৈ পিংকিৰ মৃতদেহ পানীত ওপঙি থকা প্ৰত্যক্ষ কৰে। শ্ৰী ত্ৰিপাঠীয়ে ভাঁহি থকা মৃতদেহৰ ফটো লোৱাৰ পিছত (প্ৰ. পি.-৩) মৃতদেহটো কুঁৱাৰ পৰা উলিয়াই অনা হৈছিল। তাৰ পিছত তেওঁ মৃতদেহৰ পুনৰুদ্ধাৰৰ স্মাৰক (memo) প্ৰস্তুত কৰিছিল (প্ৰ. পি.-৯), য'ত আবেদনকাৰী আৰু তাত উপস্থিত সাক্ষীসকলেও চহী কৰিছিল। ইয়াৰ পিছত শ্ৰী ত্ৰিপাঠীয়ে মৃতদেহৰ চুৰতহাল কৰোৱাইছিল, ইয়াৰ সন্দৰ্ভত এটা প্ৰতিবেদন প্ৰস্তুত কৰিছিল (প্ৰ. পি.-১৪), আৰু তাৰ পিছত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছিল। আবেদনকাৰীয়ে দিয়া বিবৃতি অনুসৰি, শ্ৰী ত্ৰিপাঠীয়ে তেজৰ দাগ থকা এটা ফ্ৰক (সামগ্ৰী এ) উদ্ধাৰ কৰে আৰু জব্দনামাৰ অধীনত জব্দ কৰে (প্ৰ. পি.-১৪)।

(ঙ) সেইদিনাই ডাঃ কে কে গৌতমে (পি ডব্লিউ ১৩) পিংকিৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰি মুখৰ সোঁফালে এটা ক্ষতবিক্ষত ঘাঁ, দুয়োটা বাহুত ঘৰ্ষণ, বাওঁ আঁঠুত আঘাত, বহিস্থ যোনিওষ্ঠ বা বৃহদোষ্ঠ (Labia Majora)ত তেজ জমা হোৱা ঘাঁ, পিছফালৰ যোনিৰ বেৰত ছিদ্ৰ হোৱা, হাইমেন ফাটি যোৱা, বহিস্থ যোনিওষ্ঠ বা বৃহদোষ্ঠ (Labia Majora) আৰু অভ্যন্তৰীণ যোনিওষ্ঠ (Labia Minora) ফুলি যোৱা আৰু যোনিৰ মুখৰ চাৰিওফালে তেজ জমা হোৱা। ডাঃ গৌতমে ডিঙিৰ বাওঁফালে থাইৰয়ডৰ তলৰ অংশত চাৰিওফালে ঘৰ্ষণৰ লগতে তিনিটাকৈ ঘাঁ, মগজু আৰু ইয়াৰ ইয়াৰ আৱৰণত তেজ জমা হোৱা, হাইয়'ইড হাড় আৰু থাইৰয়ড কাৰ্টিলেজ ভাঙি যোৱাৰ লগতে হাড়ভঙাৰ চাৰিওফালে থকা কলাবোৰত ৰক্তক্ষৰণ, দুয়োফালৰ চতুৰ্থ কামিহাড় ভঙা আৰু গৰ্ভাশয়ত গভীৰভাৱে তেজ জমা হোৱা আৰু ফুলি উঠা দেখা পাইছিল। তেওঁৰ মতামত আছিল যে মৃতকক ধৰ্ষণ কৰা হৈছে আৰু তেওঁৰ মৃত্যুৰ কাৰণ হৈছে ডিঙি চেপাৰ বাবে শ্বাসৰুদ্ধ হোৱা। তেওঁৰ মতে সকলো আঘাত মৃত্যুৰ পূৰ্বৰ আছিল। ডাঃ গৌতমে মৃতকৰ যোনিৰ স্ৰাৱৰ পৰা এখন স্লাইড প্ৰস্তুত কৰি তদন্ত বিষয়াৰ জৰিয়তে ফৰেনছিক বিজ্ঞান পৰীক্ষাগাৰ (এফ.এছ.এল.)ৰ দ্বাৰা ৰাসায়নিক বিশ্লেষণৰ বাবে প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে।

(ট) পিছদিনা (৩ মে', ১৯৯৫) আপীলকাৰীক চিকিৎসা পৰীক্ষাৰ বাবে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ প্ৰেৰণ কৰা হয়। তেওঁক পৰীক্ষা কৰা ডাঃ বি এন শৰ্মাই (এফ ডব্লিউ ৭) তেওঁৰ সোঁ আঁঠুত এটা

ঘৰ্ষণৰ চিন আৰু লিংগৰ মূৰ বা অগ্ৰভাগত আন এটা ঘৰ্ষণৰ চিন পাইছিল যদিও তাত কোনো ধৰণৰ স্মেগমা( smegma) নাছিল। তেওঁৰ মতে আপীলকাৰীজন যৌন সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম আছিল আৰু লিংগৰ অগ্ৰভাগত পোৱা আঘাতটো কোমল বয়সৰ ছোৱালীজনীক ধৰ্ষণ কৰাৰ সময়ত পোৱা আঘাত হ’ব পাৰে। তেওঁৰ মতে, আপীলকাৰীৰ আঁঠুত পোৱা আঘাতটো এটা কোঠাৰ উদং মজিয়াত পৰি থকা ভুক্তভোগীৰ সৈতে যৌন সম্পৰ্ক স্থাপন কৰাৰ সময়ত পোৱা আঘাত হ’ব পাৰে। ডাঃ শৰ্মাই আপীলকাৰীৰ বীৰ্যৰ স্লাইড প্ৰস্তুত কৰি তেওঁৰ অন্তৰ্বাসৰ সৈতে কনিষ্টবল কমলা প্ৰসাদৰ জৰিয়তে ৰাসায়নিক বিশ্লেষণৰ বাবে পঠিয়াইছিল। আপীলকাৰীৰ বক্তব্য অনুসৰি উদ্ধাৰ হোৱা আৰু পৰমেশ্বৰে পিংকিৰ বুলি চিনাক্ত কৰা ফ্ৰকটো এনে পৰীক্ষাৰ বাবে পঠিওৱা হৈছিল। এফ.এছ.এলৰ প্ৰতিবেদন লাভ কৰাৰ লগে লগে আৰু তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত শ্ৰী ত্ৰিপাঠীয়ে আপীলকাৰীৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে।

৩. আপীলকাৰীয়ে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অস্বীকাৰ কৰি তেওঁৰ বিৰুদ্ধে মিছা অভিযোগ উত্থাপন হোৱা বুলি দাবী কৰে।

৪. কোনো চাক্ষুষ সাক্ষীৰ অনুপস্থিতিত অভিযোগকাৰী পক্ষই আবেদনকাৰীৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগসমূহ প্ৰমাণ কৰিবলৈ নিম্নলিখিত পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰিছিলঃ

(i) ১৯৫৫ চনৰ ৩০ এপ্ৰিলৰ সন্ধিয়া মৃতকজনে আবেদনকাৰীৰ টি. ভি. মেৰামতিৰ দোকানলৈ গৈছিল আৰু সেই সময়ত আবেদনকাৰীজনে সুৰেশ গুপ্তা (পিডব্লিউ ৪) ৰ সৈতে লুডো খেলি আছিল আৰু মৃতকজনে তেওঁৰ পৰা বিস্কুট বিছাৰিছিল;

(ii) আবেদনকাৰীয়ে মৃতকৰ লগত বুধচেনৰ (পিডব্লিউ ৩) গেলামালৰ দোকানলৈ গৈ বিস্কুটৰ পেকেট এটা তাইক কিনি দিছিল।

(iii) পুৰষোত্তম লালে (পিডব্লিউ ৫) আবেদনকাৰীক প্ৰায় ৬/৭ বছৰ বয়সৰ এজনী ছোৱালীৰ সৈতে বাছ ষ্টেণ্ডৰ ফালে যোৱা দেখিছিল;

(iv) পৰমেশ্বৰ লাল (পিডব্লিউ ১), সুভাষ চন্দ্ৰ চ’নী (পিডব্লিউ ২) আৰু হৰিকৃষ্ণ চ’নী (পিডব্লিউ ১০)-য়ে প্ৰায় মাজনিশা আবেদনকাৰীক সম্পূৰ্ণৰূপে ভিজি ঘৰলৈ উভতি অহা (যি সূচায় যে তেওঁ গা ধুইছিল) দেখিছিল আৰু তেওঁ কেৱল এটা অন্তৰ্বাস পিন্ধি আছিল আৰু তেওঁৰ কাষলতিৰ তলত কিছুমান কাপোৰ আছিল।

(v) আবেদনকাৰীয়ে ১৯৫৫ চনৰ ২ মে’ত পৰিদৰ্শক ভি. ডি. ত্ৰিপাঠী (পি. ডব্লিউ. ১১)-ক হৰিকৃষ্ণ চ’নী (পি. ডব্লিউ. ১১) আৰু অন্যান্যসকলৰ উপস্থিতিত দিয়া বিবৃতি অনুসৰি, পিংকীৰ মৃতদেহ এটা কুঁৱাৰ পৰা উদ্ধাৰ কৰা হৈছিল আৰু তাইৰ ফ্ৰকটো এনে এটা স্থানৰ পৰা উদ্ধাৰ কৰা হৈছিল, যিথিনি ঠাই সকলোৰে বাবে সুগম নাছিল।

(vi) মৰণোত্তৰ পৰীক্ষা কৰাৰ সময়ত ডাঃ গৌতমে (পিডব্লিউ ১৩) মৃতকৰ শৰীৰত যথেষ্ট সংখ্যক আঘাত পাইছিল, এই আঘাতসমূহৰ প্ৰকৃতিয়ে ইংগিত দিছিল যে তাইক ধৰ্ষণ কৰি শ্বাসৰুদ্ধ কৰি হত্যা কৰা হৈছিল;

(vii) ১৯৯৫ চনৰ ৩ মে'ত আপীলকাৰীক পৰীক্ষা কৰি ডাঃ শৰ্মাই (পি ডব্লিউ ৭) তেওঁৰ শৰীৰত এনে কিছুমান আঘাত দেখা পাইছিল, যিবোৰ প্ৰায় ৭২ ঘণ্টা পুৰণি আছিল আৰু সম্ভৱতঃ কোমল বয়সৰ ছোৱালী এজনীৰ সৈতে যৌন সম্পৰ্ক স্থাপন কৰাৰ সময়ত হোৱা আঘাত আছিল; আৰু

(viii) মৃতকৰ ফ্ৰক আৰু যোনিৰ আঠাযুক্ত তৰপ (Vaginal Smear)ত আৰু আপীলকাৰীৰ অন্তৰ্বাসত তেজ পোৱা গৈছিল।

৪. বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়- দুয়োখনেই ওপৰৰ পৰিস্থিতিসমূহ প্ৰমাণ কৰিবলৈ বিচাৰ বিভাগে পৰীক্ষা কৰা সকলো সাক্ষীৰ প্ৰমাণৰ বিষয়ে বিতংভাৱে আৰু দীঘলীয়াকৈ আলোচনা কৰিছিল আৰু তেওঁলোকে এই সিদ্ধান্তত উপনীত হৈছিল যে প্ৰতিটো পৰিস্থিতি পতিয়ন যোগ্যভাৱে প্ৰমাণিত হৈছে, আৰু সামূহিকভাৱে এই পৰিস্থিতিসমূহে আপীলকাৰীক দোষী বুলি দৃঢ়ভাৱে ইংগিত দিয়ে।

৫. প্ৰমাণসমূহ ভালদৰে পৰ্যালোচনা কৰাৰ পিছত আমি নিশ্চিত হৈছো যে নিম্ন আদালতে যি সিদ্ধান্তত উপনীত হৈছে সেয়া নিঃসন্দেহে গ্ৰহণযোগ্য। গতিকে এই ৰায়দানত প্ৰমাণ পুনৰাবৃত্তি কৰাৰ প্ৰয়োজন নাই। গোচৰটো কেৱল পৰিস্থিতিগত প্ৰমাণৰ ওপৰত নিৰ্ভৰশীল হ'লেও প্ৰতিষ্ঠিত পৰিস্থিতিয়ে আপীলকাৰীৰ অপৰাধবোধৰ বাহিৰে আন কোনো যুক্তিসংগত ব্যাখ্যাৰ স্থান এৰি নিদিয়ে। এইটো স্পষ্ট যে আপীলকাৰীয়ে পিংকিক অপহৰণ কৰি ধৰ্ষণ কৰি ডিঙি চেপি হত্যা কৰিছিল আৰু প্ৰমাণ নাইকিয়া কৰিবলৈ তাইৰ মৃতদেহটো কুঁৱাত পেলাই দিছিল। ফলস্বৰূপে ভা.দ.বি. আইনৰ ৩৬৩, ৩৭৬, ৩০২, আৰু ২০১ নং ধাৰাৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে আপীলকাৰীৰ দোষী সাব্যস্ত হোৱাতো সেয়েহে সমৰ্থন কৰিব লাগিব;

৬. ইয়াৰ ফলত আমি এই প্ৰশ্নৰ সন্মুখীন হ'ম যে ভা.দ.বি. আইনৰ ৩০২ নং ধাৰাৰ অধীনত দোষী সাব্যস্ত হোৱাৰ বাবে বিচাৰ আদালতে আপীলকাৰীক প্ৰদান কৰা আৰু উচ্চ ন্যায়ালয়ে নিশ্চিত কৰা মৃত্যুদণ্ড বজাই ৰখাটো উচিত হয় নে নহয়। *বছন সিং বনাম পঞ্জাৱ চৰকাৰ,* এ.আই.আৰ. (১৯৮০) এছ.চি. ৮৯৮ গোচৰত এই আদালতে শাস্তি নীতিৰ বিষয়ে আলোচনা কৰাৰ সময়ত চৰম মৃত্যুদণ্ড আৰোপ কৰাৰ বাবে মানি চলিবলগীয়া নিৰ্দেশনাসমূহৰ ইংগিত দিছিল। এই আদালতে *মাছি সিং বনাম পঞ্জাব চৰকাৰ* গোচৰৰ পৰৱৰ্তী ৰায়দানত এইদৰে উল্লেখ কৰা নিৰ্দেশনাৰ পৰা এআইআৰ (১৯৮৩) এছচি ৯৫৭-য়ে তলত দিয়া প্ৰস্তাৱসমূহ প্ৰণয়ন কৰিছিল, যিবোৰ মৃত্যুদণ্ড দিয়াৰ প্ৰশ্ন উত্থাপন হ'লে প্ৰয়োগ কৰিব লাগিব :

(i) অতি গুৰুতৰ অপৰাধমূলক গোচৰৰ বাহিৰে মৃত্যুদণ্ডৰ চৰম শাস্তি প্ৰদান কৰাৰ প্ৰয়োজন নাই;

(ii) মৃত্যুদণ্ডৰ সিদ্ধান্ত লোৱাৰ আগতে অপৰাধৰ পৰিস্থিতিৰ লগতে অপৰাধীৰ পৰিস্থিতিসমূহকো বিবেচনা কৰিব লাগিব।

(iii) আজীৱন কাৰাদণ্ড সাধাৰণ শাস্তি, আৰু মৃত্যুদণ্ড বিৰল। অৰ্থাৎ অপৰাধৰ গুৰুত্ব বিবেচনা কৰি যাৱজ্জীৱন কাৰাদণ্ড যথেষ্ট নহ'লেহে আৰু যদিহে, আৰু কেৱল যদিহে, অপৰাধৰ প্ৰকৃতি আৰু পৰিস্থিতি আৰু সকলো প্ৰাসংগিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কাৰাদণ্ড বা আজীৱন কাৰাদণ্ডৰ বিকল্প বিবেকপূৰ্বকভাৱে বাছি ল'ব নোৱাৰি. তেনে ক্ষেত্ৰতহে মৃত্যুদণ্ডৰ কথা বিবেচনা কৰা হয়,

(iv) শাস্তি নিৰ্ধাৰণ কৰাৰ আগতে আদালতে গুৰুতৰ আৰু প্ৰশমনকাৰী দুয়োটা কাৰকৰ তালিকা প্ৰস্তুত কৰিব লাগিব আৰু এই প্ৰক্ৰিয়াত প্ৰশমনকাৰী কাৰকসমূহক যথেষ্ট বিবেচনা কৰিব লাগে, আৰু সিদ্ধান্ত লোৱাৰ আগতে গুৰুতৰ আৰু প্ৰশমনকাৰী পৰিস্থিতিৰ মাজত এক উচিত ভাৰসাম্য ৰক্ষা কৰিব লাগিব।

৭. উপৰোক্ত প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত তাৎক্ষণিক গোচৰটোৰ সকলো তথ্য আৰু পৰিস্থিতিৰ সামগ্ৰিক দৃষ্টিভংগী গ্ৰহণ কৰি আমি দৃঢ় মত পোষণ কৰো যে মৃত্যুদণ্ডৰ শাস্তি বজাই ৰাখিব লাগে। পৰিস্থিতিৰ ভয়াৱহতা হ্ৰাস কৰিব পৰা কোনো কাৰক আমি বিচাৰি নাপালোঁ, কিন্তু পৰিস্থিতি আৰু বেয়া কৰি তোলা বহুতো কাৰক আৱিষ্কাৰ কৰিলোঁ। ৰেকৰ্ডত থকা প্ৰমাণে স্পষ্টভাৱে প্ৰমাণ কৰে যে আবেদনকাৰী পৰমেশ্বৰৰ পৰিয়ালৰ ঘনিষ্ঠ আছিল আৰু মৃতক আৰু তেওঁৰ ভাই ভনীসকলে তেওঁক-'তিৱাৰী আংকোল' বুলি মাতিছিল। আপাত দৃষ্টিত আপীলকাৰীৰ সৈতে মৃতকৰ ঘনিষ্ঠতাই তাইক তেওঁৰ দোকানখনলৈ যাবলৈ আৰু কিছু বিস্কুট বিচাৰিবলৈ উৎসাহিত কৰিছিল, যিখন দোকান তাইৰ দেউতাকে ভায়েকৰ সৈতে চুলি কাটিবলৈ যোৱা চেলুনখনৰ ওচৰত আছিল। আবেদনকাৰীয়ে তৎক্ষণাত তাইৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই তাইক ওচৰৰ গেলামালৰ দোকান এখনলৈ লৈ গৈছিল আৰু তেওঁৰ অশুভ পৰিকল্পনাৰ পূৰ্বাভাস হিচাপে তাইক এপেকেট বিস্কুট কিনি দিছিল আৰু পৰিকল্পনা অনুসৰি তেওঁ তাইক অপহৰণ কৰিছিল, নিৰ্মমভাৱে ধৰ্ষণ কৰি হত্যা কৰিছিল, যাৰ প্ৰমাণ তাইৰ শৰীৰত থকা অসংখ্য আঘাতৰ পৰাই পোৱা যায়, আৰু শেষত তাইৰ মৃতদেহটো এটা কুঁৱাত পেলাই দিছিল। যেতিয়া এজনী অসহায় ৭ বছৰীয়া ছোৱালীৰ লগত তাইৰে বিশ্বাসী কোনোবাই এনে ঘৃণনীয় কৰ্ম কৰে, তেতিয়া এনে কাৰ্যই সাধাৰণ মানুহৰ মনত চৰম বিতৃষ্ণাৰ ভাৱ জগাই তোলে। এইটো এটা অতি বিৰল গোচৰ, য'ত মৃত্যুদণ্ড দিয়াটো কেৱল আনক এনে নৃশংস অপৰাধ সংঘটিত কৰাত বাধা দিয়াৰ বাবেই গুৰুত্বপূৰ্ণ নহয়, এনে অপৰাধৰ প্ৰতি সমাজৰ ঘৃণাক শক্তিশালীভাৱে প্ৰকাস কৰাৰ অৰ্থেও গুৰুত্বপূৰ্ণ।

সেইবাবে এই আপীল খাৰিজ কৰা হৈছে।

কে. এইচ. এন. এইচ. আপীল খাৰিজ কৰা হ'ল।

# DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।“

*অনুবাদক: মায়াশ্ৰী মহন্ত, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়*